# Course Outcome

## অসমীয়া প্ৰধান পাঠ্যক্ৰম

(Assamese Major Course)

## প্ৰথম বৰ্ষ ঃ প্ৰথম ষান্মাসিক

**কাকত ঃ Paper M-104 ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু লিপি**

CO 1 ঃ অসমীয়া লোক-সাহিত্য সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ প্ৰাক শংকৰী যুগৰ সাহিত্য-সংস্কৃতি আৰু পটভূমিৰ বিষয়ে জানিব পাৰিব।

CO 3 ঃ শংকৰীযুগৰ সাহিত্যত শংকৰদেৱ, মাধৱদেৱ আদিকে ধৰি বৈষ্ণৱ যুগৰ সাহিত্যৰাজিৰ সম্বন্ধে জানিব পাৰিব।

CO 4 ঃ অসমীয়া লিপিৰ আৰম্ভণি আৰু বিকাশৰ স্তৰৰ লগতে লিপি সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

**কাকত ঃ Paper M-105 ঃ প্ৰাচীন অসমীয়া কৱিতা**

CO 1 ঃ প্ৰাচীন অসমীয়া কবিতাৰ উদ্ভৱ বিকাশ আৰু বৈশিষ্ট্য জনাৰ উপৰিও ধ্ৰুপদী (Classical) কবিতাৰ জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ 'চৰ্যাপদ'ৰ উৎপত্তি তথা অসমীয়া লিখিত সাহিত্যৰ আদি ৰূপৰ জ্ঞান লাভ কৰিব।

CO 3 ঃ প্ৰাচীন অসমীয়া কাব্য সাহিত্যত প্ৰকৃতি চিত্ৰণ সম্পৰ্কে জানিব পাৰিব।

CO 4 ঃ পাঁচালী যুগৰ কাব্য আৰু কবিসকলৰ কাব্যৰ বিষয়বস্তু , সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

## আধুনিক ভাৰতীয় ভাষা (MIL)
## অসমীয়া (General)

**কাকত ঃ Paper E-103 ঃ অসমীয়া কৱিতা**

CO 1 ঃ শংকৰদেৱ আৰু মাধৱদেৱৰ কাব্যসাহিত্য সম্পৰ্কে জানিব পাৰিব।

CO 2 ঃ অসমীয়া ৰোমাণ্টিক কাব্যসাহিত্যৰ স্বৰূপ আৰু বৈশিষ্ট্য সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

CO 3 ঃ অসমীয়া কাব্য সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ বিষয়বস্তু জনাৰ লগতে অম্বিকাগিৰী ৰায় চৌধুৰীৰ কবিতাত জাতীয়তাবোধ কিদৰে প্ৰকাশ পাইছে সেইয়া অনুভৱ কৰিব পাৰিব।

CO 4 ঃ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য আৰু প্ৰগতিবাদী অসমীয়া কবিতাৰ ধাৰাৰ বিষয়ে জানিব পাৰিব।

# অসমীয়া প্ৰধান পাঠ্যক্ৰম

## (Assamese Major Course)

## প্ৰথম বৰ্ষ ঃ দ্বিতীয় ষাণ্মাসিক

**কাকত ঃ** Paper M-204 **ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী**

CO 1 ঃ উত্তৰ শংকৰী যুগৰ সাহিত্যত সেই যুগৰ সাহিত্যৰ ধাৰাৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ 'অৰুণোদয় যুগৰ সাহিত্যত আধুনিক অসমীয়া ভাষা সাহিত্যৰ উত্তৰণ আৰু বিকাশৰ বিষয়ে জানিব পাৰিব।

CO 3 ঃ "জোনাকী" যুগৰ সাহিত্যত অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ বৈশিষ্ট্য আৰু সাহিত্যৰ পটভূমিৰ জ্ঞান আহৰণ কৰিব পাৰিব।

CO 4 ঃ "আৱাহন" যুগৰ সাহিত্যৰাজিৰ জৰিয়তে সাহিত্যৰ উপকৰণ - কবিতা, নাটক, চুটিগল্প, উপন্যাসৰ পাশ্চাত্য সাহিত্যৰ বিভিন্ন ধাৰাসমূহ কিদৰে প্ৰয়োগ হৈছে সেইয়া শিক্ষাৰ্থী সকলে অনুধাৱন কৰিব পাৰিব।

**কাকত ঃ** Paper M-205 **ঃ আধুনিক অসমীয়া কবিতা**

CO 1 ঃ অসমীয়া ৰোমাণ্টিক কবিতাৰ আদি স্তৰৰ বিষয়ে জানিব পাৰিব।

CO 2 ঃ অসমীয়া কবিতাত ৰহস্যবাদ তথা অতীন্দ্ৰিয়বাদী কবিতাৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব।

CO 3 ঃ আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগৰ বিষয়ে জানিব পাৰিব।

CO 4 ঃ সামগ্ৰিকভাৱে আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু সম্পৰ্কে শিক্ষাৰ্থীসকলে যথোপযুক্ত জ্ঞান ল'ব পাৰিব।

## আধুনিক ভাৰতীয় ভাষা (MIL)
## অসমীয়া (General)

**কাকত ঃ** Paper E-203 **ঃ অসমীয়া গদ্য**

CO 1 ঃ অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ গদ্যৰীতিৰ লগতে শংকৰোত্তৰ যুগৰ গদ্যৰীতি সম্পৰ্কে জানিব পাৰিব।

CO 2 ঃ 'অৰুণোদয়' যুগৰ প্ৰাৰম্ভিক স্তৰৰ গদ্যশৈলীৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

CO 3 ঃ "জোনাকী" যুগৰ গদ্যৰীতিৰ বিষয়ে জানিব পাৰিব।

CO 4 ঃ আধুনিক অসমীয়া গদ্যশৈলী সম্পৰ্কে জানিব পাৰিব।

# অসমীয়া প্ৰধান পাঠ্যক্ৰম

# (Assamese Major Course)

# দ্বিতীয় বৰ্ষ ঃ তৃতীয় ষান্মাসিক

<u>কাকত ঃ Paper M-304 ঃ অসমীয়া ভাষা</u>

CO 1 ঃ পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাষাবোৰৰ বিষয়ে জানিব পাৰি আৰু মূলত ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ উত্তৰ সুৰী ভাষাবোৰৰ বৰ্তমানৰ অৱস্থিতি সম্পৰ্কে জানিব পাৰিব।

CO 2 ঃ ভাৰতীয় আৰ্যভাষাৰ জননী 'সংস্কৃত' ভাষাৰ লগতে সংস্কৃত ভাষাৰ পৰা কাল অনুসৰি বিকশিত হোৱা পালি, প্ৰাকৃত, অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু সিবোৰৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ লগতে মধ্য ভাৰতীয় আৰ্যভাষাৰ লগত অসমৰ মূল ৰাজ্যিক ভাষা অসমীয়া ভাষাৰ সম্পৰ্ক সম্বন্ধে জ্ঞাত হ'ব পাৰিব।

CO 3 ঃ অসমীয়া ভাষাটোৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশৰ সম্পৰ্কে জানিব পাৰি। মূলতঃ অসমীয়া ভাষাটোক অন্যান্য আৰ্যভিন্ন ভাষাবোৰে কেনেধৰণৰ অৱদানেৰে সমৃদ্ধি কৰি তুলিছে সেই বিষয়ে জানিব পাৰিব।

CO 4 ঃ অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে আৰু অসমীয়া ভাষাটোৰ শব্দ ভাণ্ডাৰত আন কোন কোন আৰ্যভিন্ন ভাষাৰ সমাহাৰ ঘটিছে সেই বিষয়ে জানিব পাৰিব।

# দ্বিতীয় বৰ্ষ ঃ তৃতীয় ষান্মাসিক

<u>কাকত ঃ Paper M-305 ঃ অসমীয়া সাহিত্যৰ বিশেষ অধ্যয়ন</u>

CO 1 ঃ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ 'কীৰ্ত্তন-ঘোষা'ৰ 'অজামিল' উপাখ্যান, 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'ৰাসক্ৰীড়া' খণ্ড তিনিটাৰ জৰিয়তে শংকৰদেৱৰ ধৰ্মীয় দৰ্শন আৰু সাহিত্য প্ৰতিভা সম্বন্ধে জানিব পাৰিব।

CO 2 ঃ অসমীয়া সাহিত্যৰ ৰুক্মিণীহৰণ কাব্যৰ দ্বাৰা হৰণকাব্যৰ ইতিহাস, পৰম্পৰাৰ লগতে বৈষ্ণৱ ধৰ্মৰ তাত্ত্বিক দৰ্শন সম্পৰ্কে জানিব পাৰিব।

CO 3 ঃ অসমীয়া ধ্ৰুপদী সংগীত বৰগীত আৰু বৰগীতৰ গীতিমাধুৰ্য্য, বিশেষত্ব সম্পৰ্কে জনাৰ উপৰিও ভক্তিধৰ্মৰ গূঢ়াৰ্থ জানিব পাৰিব।

CO 4 ঃ অসমীয়া নাট্য সাহিত্যৰ ইতিহাস, পৰম্পৰাৰ লগতে শংকৰদেৱৰ নাট্য প্ৰতিভা সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

# আধুনিক ভাৰতীয় ভাষা (MIL)
# অসমীয়া (General)
# দ্বিতীয় বৰ্ষ ঃ তৃতীয় ষান্মাসিক

**কাকত ঃ Paper E-308 ঃ অসমীয়া নাটক**

CO 1 ঃ অসমীয়া নাট্য সাহিত্যৰ জনক শংকৰদেৱৰ নাট্য প্ৰতিভা সম্পৰ্কে জনাৰ লগতে তেওঁৰ বিৰচিত ‘কালিয়-দমন’ নাটক সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 2 ঃ অসমীয়া নাট্যসাহিত্যৰ এক উল্লেখযোগ্য ধাৰা ধেমেলীয়া নাটৰ বিষয়ে জনাৰ লগতে দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাৰ ‘মহৰী’ নাটকখনৰ বিষয়ে জানিব পাৰিব।

CO 3 ঃ অসমীয়া সামাজিক নাটক সম্পৰ্কে জনাৰ লগতে মহেন্দ্ৰ বৰঠাকুৰৰ শৰাগুৰি চাপৰি’ নাটকখনিৰ জৰিয়তে সাম্প্ৰদায়িক সম্প্ৰীতিৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে সেই সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 4 ঃ অসমীয়া নাট্য সাহিত্যত ভবেন্দ্ৰনাথ শইকীয়াৰ অৱদান সম্পৰ্কে জনাৰ লগতে তেওঁৰ ‘এজাক জোনাকীৰ জিলমিল’ নাটকখনৰ সম্পৰ্কে কিছু কথা জানিব পাৰিব।

## অসমীয়া প্ৰধান পাঠ্যক্ৰম
## (Assamese Major Course)
# দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাসিক

**কাকত ঃ Paper M-401 ঃ অসমীয়া ব্যাকৰণ**

CO 1 ঃ অসমীয়া ব্যাকৰণৰ ইতিহাস, ব্যাকৰণৰ শ্ৰেণী বিভাগ আৰু ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষা বিজ্ঞানৰ মাজৰ পাৰ্থক্য সম্পৰ্কে জানিব পাৰিব।

CO 2 ঃ ব্যাকৰণিক উপাদানৰ নূন্যতম একক ধ্বনি (স্বৰধ্বনি, ব্যঞ্জনধ্বনি) ৰ বিষয়ে জানিব পাৰি আৰু অসমীয়া ভাষাৰ বাক্য গঠন প্ৰণালী, ৰূপবিন্যাস সম্পৰ্কে জানিব পাৰিব।

CO 3 ঃ ভাষাৰ দ্বিতীয় বৃহত্তম উপাদান ৰূপ অৰ্থাৎ ৰূপতত্ত্বৰ বিষয়ে জানিব পাৰিব। ধ্বনিবিলাকৰ সহযোগত অসমীয়া ভাষাত কেনেধৰণে ৰূপসাধন হয় সেইবিষয়ে জ্ঞাত হ’ব পাৰিব। তাদুপৰি ৰূপতত্ত্বৰ অন্য উপাদানবোৰ যেনে - বচন, লিংগ, প্ৰত্যয়, কাৰক, ধাতু, সম্পৰ্কে জানিব পাৰিব।

# দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাসিক

**কাকত ঃ Paper M-402 ঃ অসমীয়া জাতি আৰু সংস্কৃতিৰ পৰিচয়মূলক অধ্যয়ন**

CO 1 ঃ অসমীয়া জাতি গঠনত বিভিন্ন জাতি-জনগোষ্ঠীৰ অৱদান আৰু বৰঙণি সম্পৰ্কে জ্ঞাত হ’ব পাৰিব।

CO 2 ঃ সংস্কৃতিৰ সংজ্ঞা অৰ্থাৎ সংস্কৃতিৰ ধাৰণা সম্পৰ্কে জানিব পাৰিব। অসমৰ লোক সংস্কৃতি আৰু ইয়াৰ উপাদানৰ লগতে অসমীয়া সমাজৰ লোকাচাৰ, জনবিশ্বাস, উৎসৱ পাৰ্বন সম্পৰ্কে জানিব পাৰিব।

CO 3 ঃ অসমৰ শাক্ত, শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য, পৰম্পৰাৰ বিষয়ে জানিব পাৰি।

# দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাসিক

**কাকত ঃ Paper M-403 ঃ ক্ষেত্ৰ অধ্যয়ন**

এই অধ্যয়ন বা গৱেষণা কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত জড়িত বিভিন্ন স্বনিৰ্বাচিত বিষয়ক নিজৰ প্ৰকল্পৰ প্ৰস্তাৱিত বিষয় হিচাপে নিৰ্বাচন কৰি অধ্যয়ন কৰাৰ লগতে গৱেষণা পদ্ধতিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পাৰিব।

# আধুনিক ভাৰতীয় ভাষা (MIL)
# অসমীয়া (General)
# দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাসিক

**কাকত ঃ Paper E-408 ঃ অসমীয়া চুটিগল্প, উপন্যাস আৰু ৰচনা**

CO 1 ঃ অসমীয়া চুটিগল্পৰ আদি ভাগৰ ৰেহ-ৰূপ অৰ্থাৎ অসমীয়া চুটিগল্পৰ আদি যুগৰ গল্পকাৰৰ গল্পৰ বিষয়ে জানিব পাৰিব।

CO 2 ঃ অসমীয়া চুটিগল্পক নতুন মাত্ৰা দান কৰা ‘আবাহন’ আলোচনীৰ গল্পৰ বিষয়ে আৰু সমসাময়িক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশ সম্পৰ্কে জানিব পাৰিব।

CO 3 ঃ অসমীয়া উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ নাট্য প্ৰতিভা আৰু নাটকৰ বিশেষত্বৰ লগতে সমসাময়িক সামাজিক বিশ্লেষণ সম্পৰ্কে জানিব পাৰিব।

CO 4 ঃ ছাত্ৰ-ছাত্ৰীক সাম্প্ৰতিক সময়ৰ লগত ৰজিতাখোৱাকৈ কেতবোৰ ৰচনাৰ চৰ্চা কৰিবলৈ দি ছাত্ৰ-ছাত্ৰীৰ সামাজিক দৃষ্টিভংগীৰ বিকাশ ঘটোৱাত সহায় কৰা হয়।

------------

# অসমীয়া প্ৰধান পাঠ্যক্ৰম
# (Assamese Major Course)
# তৃতীয় বৰ্ষ ঃ পঞ্চম যান্মাসিক

**কাকত ঃ Paper M-501 ঃ পুৰণি অসমীয়া নাটক**

CO 1 ঃ অসমীয়া নাট্যসাহিত্যৰ জন্ম, বিষয়বস্তু, বিকাশ আদি জানিব পাৰিব। তদুপৰি অসমীয়া নাট্য সাহিত্যৰ জনক শঙ্কৰদেৱৰ নাট্য প্ৰতিভা তথা অঙ্কীয়া নাট সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

CO 2 ঃ শংকৰীযুগৰ অন্যতম নাট্যকাৰ মাধৱদেৱৰ নাট্য প্ৰতিভা সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ লগতে ঝুমুৰা সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

CO 3 ঃ শঙ্কৰোত্তৰ যুগৰ নাট্য প্ৰতিভা সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব। তদুপৰি শ্ৰীৰাম আতাৰ নাট্য প্ৰতিভা সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 4 ঃ শঙ্কৰোত্তৰ যুগৰ নাট্যকাৰ গোপালদেৱৰ নাট্য শৈলী সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

**কাকত ঃ Paper M-502 ঃ পুৰণি অসমীয়া কথা সাহিত্য**

CO 1 ঃ অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ গদ্য শৈলী সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ শঙ্কৰদেৱৰ গদ্য শৈলীৰ লগতে শংকৰী যুগৰ গদ্যকাৰ সকলৰ গদ্য ৰীতি সম্পৰ্কে কিছু কথাৰ আভাস লাভ কৰিব।

CO 3 ঃ অসমীয়া ৰামায়ণী সাহিত্য সম্পৰ্কে জ্ঞান লাভ কৰাৰ লগতে শঙ্কৰোত্তৰ যুগৰ গদ্য ৰীতি সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 4 ঃ বুৰঞ্জী গদ্য ৰীতি সম্পৰ্কে কিছু জ্ঞান লাভ কৰাৰ লগতে অৰুণোদয় যুগৰ গদ্য ৰীতি সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

**কাকত ঃ Paper M-503 ঃ ব্ৰজবুলি সাহিত্যৰ অধ্যয়ন**

CO 1 ঃ ব্ৰজাৱলী ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ নৱবৈষ্ণৱ কবি শংকৰদেৱ আৰু মাধৱদেৱৰ কাব্য প্ৰতিভা সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 3 ঃ পদাৱলী সাহিত্যৰ অন্যতম কবি বিদ্যাপতি, ৰায় ৰামানন্দ আদি কবি সকলৰ কাব্যকৃৰ্তিৰ সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 4 ঃ জ্ঞানদাস আৰু গোবিন্দ দাসৰ কাব্য প্ৰতিভা সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ লগতে পদাৱলী সাহিত্যৰ নায়িকাভেদ সম্পৰ্কে কিছু কথা জানিব পাৰিব।

**কাকত ঃ** Paper M-504 **ঃ পালি- প্ৰাকৃত সাহিত্য আৰু ব্যাকৰণ**

CO 1 ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা উদ্ভূত মধ্যভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ-পালি, প্ৰাকৃত আৰু অপভ্ৰংশ, অৱহট্‌ঠ ভাষাৰ তাত্ত্বিক জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ পালি আৰু প্ৰাকৃত ভাষাৰ সাহিত্যিক নিদৰ্শন ‘ধম্মপদ’ আৰু ‘কৰ্পূৰ মঞ্জৰী’ সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 3 ঃ সংস্কৃত নাট্য সাহিত্যত এক নতুন ধাৰাৰ সূচনা কৰা প্ৰকৰণ সাহিত্য সম্পৰ্কে কিছু জ্ঞান লাভ কৰিব পাৰিব।

CO 4 ঃ পালি-প্ৰাকৃত - অপভ্ৰংশ- অৱহট্‌ঠ আদি ভাষাৰ ভাষাতাত্ত্বিক জ্ঞান লাভ কৰিব পাৰিব।

**কাকত ঃ** Paper M-505 **ঃ সাহিত্য সমালোচনা**

CO 1 ঃ প্ৰাচ্য সমালোচনা বিশেষকৈ ৰস সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 2 ঃ পাশ্চাত্য সমালোচনা সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

CO 3 ঃ পাশ্চাত্য সাহিত্যৰ অন্যতম ধাৰা কবিতা আৰু নাটক সম্পৰ্কে কিছু কথা জানিব পৰিব।

CO 4 ঃ পাশ্চাত্য সাহিত্যৰ আন এক ধাৰা চুটিগল্প আৰু উপন্যাসৰ এক তাত্ত্বিক ধাৰণা লাভ কৰিব পাৰিব।

**কাকত ঃ** Paper M-506 **ঃ ভাষাৰ স্বৰূপ**

CO 1 ঃ ভাষা কি আৰু ভাষাৰ বিভাজন, ভাষা পৰিয়াল আদিৰ পৰিচয়ৰ লগতে পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালবোৰৰ বিষয়ে কিছু জ্ঞান লাভ কৰিব পাৰিব।

CO 2 ঃ ভাষা-জাতি-সমাজ আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

CO 3 ঃ ভাষাৰ বিভিন্ন ৰূপ - সাধু ভাষা, উপভাষা, মিশ্ৰ ভাষা, ৰাজ্য ভাষা, আন্তঃৰাষ্ট্ৰীয় ভাষা আদিৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

CO 4 ঃ ধ্বনি পৰিৱৰ্তনৰ বিভিন্ন দিশৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

# অসমীয়া প্ৰধান পাঠ্যক্ৰম
# (Assamese Major Course)
# তৃতীয় বৰ্ষ ঃ ষষ্ঠ যান্মাসিক

**কাকত ঃ Paper M-601 ঃ আধুনিক অসমীয়া নাটক**

CO 1 ঃ আধুনিক অসমীয়া নাটকৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ সম্পৰ্কে কিছু কথা জনাৰ লগতে আধুনিক অসমীয়া নাটকৰ বিভিন্ন ধাৰা সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 2 ঃ অসমীয়া নাট্য সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে তেওঁৰ নাট্যশৈলী সম্পৰ্কেও কিছু কথা জানিব পাৰিব।

CO 3 ঃ অসমীয়া নাট্য সাহিত্যত প্ৰবীণ ফুকনৰ অৱদান সম্পৰ্কে জনাৰ লগতে ফুকনৰ নাট্য ৰীতি সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 4 ঃ অসমীয়া ঐতিহাসিক নাটক সম্পৰ্কে কিছু কথা জনাৰ লগতে এই নাট্য ধাৰাত উত্তম বৰুৱাৰ অৱদান সম্পৰ্কে জানিব পাৰিব।

**কাকত ঃ Paper M-602 ঃ আধুনিক অসমীয়া কথা সাহিত্য**

CO 1 ঃ আধুনিক অসমীয়া গদ্যৰ পথিকৃত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ গদ্য ৰীতি সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 2 ঃ লক্ষ্মীনাথ বেজবৰুৱা আৰু লম্বোদৰ বৰাৰ গদ্য ৰীতি সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 3 ঃ হেমচন্দ্ৰ গোস্বামী আৰু নীলমণি ফুকনৰ গদ্যশৈলী সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 4 ঃ বাণীকান্ত কাকতি আৰু তীৰ্থনাথ শৰ্মাৰ গদ্য ৰীতি সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

**কাকত ঃ Paper M-603 ঃ আধুনিক ভাৰতীয় সাহিত্য অধ্যয়ন**

CO 1 ঃ আধুনিক ভাৰতীয় সাহিত্যৰ ধাৰা সমূহৰ বিষয়ে জানিব পাৰিব।

CO 2 ঃ বাংলা সাহিত্যৰ অন্যতম গল্পকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু হিন্দী সাহিত্যৰ গল্পকাৰ প্ৰেমচান্দৰ গল্প সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 3 ঃ বাংলা সাহিত্যৰ অন্যতম ঔপন্যাসিক মাণিক বন্দোপাধ্যায়ৰ উপন্যাস সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 4 ঃ হিন্দী সাহিত্যৰ অন্যতম ঔপন্যাসিক ফণীশ্বৰ নাথ ৰেণুৰ উপন্যাস সম্পৰ্কে কিছু কথা জানিব পাৰিব।

**কাকত ঃ Paper M-604 ঃ অসমীয়া চুটিগল্প আৰু উপন্যাস**

CO 1 ঃ অসমীয়া চুটিগল্পৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ সম্পৰ্কে কিছু কথা জনাৰ লগতে অসমীয়া চুটিগল্পৰ যুগবিভাজন সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 2 ঃ অসমীয়া উপন্যাসৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 3 ঃ আৱাহন আৰু ৰামধেনু যুগৰ গল্পকাৰ সকলৰ গল্প সম্পৰ্কে কিছু জ্ঞান আহৰণ কৰিব।

CO 4 ঃ অসমীয়া সাহিত্যৰ প্ৰথম মহিলা জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিকা মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিব।

**কাকত ঃ Paper M-605 ঃ ছন্দ - অলংকাৰ**

CO 1 ঃ ছন্দ সম্পৰ্কে কিছু কথা জানিব পাৰিব।

CO 2 ঃ অসমীয়া ছন্দৰ প্ৰকাৰভেদ সম্পৰ্কে জ্ঞান আহৰণ কৰিব।

CO 3 ঃ অংলকাৰ সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ লগতে কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কেও কিছু কথা জানিব পাৰিব।

CO 4 ঃ অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে কিছু কথা জানিব পাৰিব।

**কাকত ঃ Paper M-606 ঃ ভাষা বিজ্ঞানৰ পৰিচয়**

CO 1 ঃ ভাষা বিজ্ঞান আৰু ভাষা বিজ্ঞানৰ বিভিন্ন শাখা বিলাকৰ বিষয়ে পৰিচয় লাভ কৰিব পাৰিব।

CO 2 ঃ ধ্বনি বিজ্ঞান আৰু প্ৰাকৃতি বিজ্ঞানৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিব।

CO 3 ঃ ভাষাৰ অধ্যয়নত বিশেষ গুৰুত্ব লাভ কৰা শব্দাৰ্থ আৰু বাক্যতত্ত্বৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰি।

CO 4 ঃ উপভাষা বিজ্ঞান আৰু সমাজ ভাষা বিজ্ঞানৰ বিষয়ে পৰিচয় লাভ কৰিব পাৰিব।

---------